# অষ্ট্ৰেলিয়াৰ বিশিষ্ট লোকসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

মে 23, 2023

প্ৰধান শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছিডনীত পৃথক পৃথক বৈঠকত অষ্ট্ৰেলিয়াৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰে। এই লোকসমূহৰ ভিতৰত আছে:

1. অধ্যাপক ব্ৰায়ান পি শ্বমিট, পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা বিজয়ী আৰু অষ্ট্ৰেলিয়ান নেচনেল ইউনিভাৰ্চিটি, কেনবেৰাৰ উপাচাৰ্য আৰু সভাপতি

2. শ্ৰীযুত মাৰ্ক বালা মানৱীয় বিষয়ৰ ব্যৱসায়িক বিশেষজ্ঞ আৰু নিপুণ ৰাজহুৱা বক্তা

3. শ্ৰীমতী ডেনিয়েল মেট চুলিভান, আদিবাসী শিল্পী

4. শ্ৰীমতী চাৰা টড, আন্তঃৰাষ্ট্ৰীয় চেফ, ৰেষ্টুৰেণ্টৰ মালিক, টিভি আয়োজক, বক্তা আৰু উদ্যোগী

5. অধ্যাপক টবি ৱালছ, ছিডনীৰ নিউ চাউথ ৱেলছ বিশ্ববিদ্যালয়ৰ কৃত্ৰিম বুদ্ধিমত্তা প্ৰতিষ্ঠানৰ মুখ্য বিজ্ঞানী

6. সহযোগী অধ্যাপক ছালভাটৰ বাবনেছ, সমাজবিজ্ঞানী, গৱেষক আৰু লেখক

7. শ্ৰীযুত গাই থিয়ডৰ চেবাষ্টিয়ান, অষ্ট্ৰেলিয়াৰ আগশাৰীৰ গায়ক

প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ এই কৃতিত্বৰ বাবে অভিনন্দন জনোৱাৰ লগতে ভাৰত-অষ্ট্ৰেলিয়াৰ সম্পৰ্ক সুদৃঢ় কৰাত অৰিহণা যোগাবলৈ উৎসাহিত কৰে।

**চিডনী**

**মে 23, 2023**